## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ তৃতীয়   বিষয় ঃ ভাষা-১ (অসমীয়া)   তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফল ঃ পাঠ্যপুথি সাৱলীলভাৱে পঢ়িব পৰা/পাঠ বহিৰ্ভূত সাধাৰণ লেখা পঢ়িব পৰা।**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

ক) পঠন কৌশল আয়ত্ত কৰিব পৰা

- ছাত্ৰ-ছাত্ৰীয়ে আখৰ চিনি পাই শুদ্ধ উচ্চাৰণেৰে পঢ়িব পাৰিব।
- ছাত্ৰ-ছাত্ৰীয়ে দুটা ধ্বনি সংযোগেৰে হোৱা যুক্তাক্ষৰ চিনি, ভাঙিব আৰু পঢ়িব পাৰিব।
- ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি যোৱা কথাবোৰ বুজি পাব লগতে পাঠত থকা যিকোনো প্ৰশ্নৰ উত্তৰ দিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) সাহসী ছোৱালীজনী | - | পাঠ নং ৯ |
| খ) আব্দুলহঁতৰ নতুন ট্ৰেক্টৰ | - | পাঠ নং ১০ |
| গ) পক্ষীকুলৰ অভিযন্তা | - | পাঠ নং ১১ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন - ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ভাৰতীয় সংবিধানত আদিতে প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ দায়িত্ব পিতৃ-মাতৃৰ ওপৰত ন্যস্ত আছিল। পাছত শিক্ষাৰ অধিকাৰ আইন-২০০৯’ য়ে সাংবিধানিকভাৱে শিশু সকলৰ প্ৰাথমিক শিক্ষা ৬ বছৰৰ পৰা ১৪ বছৰলৈ বাধ্যতামূলক ৰূপে প্ৰতিষ্ঠা কৰিলে। এতিয়া প্ৰাথমিক শিক্ষা প্ৰদান কৰা কাম ৰাষ্ট্ৰৰ কৰ্তব্যৰ ভিতৰত পৰে। এই আইনে গুণগত শিক্ষাৰ ওপৰত জোৰ দিয়াই নহয় বৰং সকলোৰে শিক্ষা সুলভ কৰিবলৈ প্ৰয়াস কৰিছে। এই সুযোগতে ন্যূনতম সা-সুবিধাবিলাকো বিদ্যালয় সমূহত প্ৰদান কৰিছে। ইয়াৰ লগে লগে বিদ্যালয়ত বিশেষভাৱে সক্ষম শিশুসকলকো অন্তৰ্ভুক্তিৰে  এক সামগ্ৰিক শিক্ষাৰ বাতাবৰণ প্ৰতিষ্ঠা কৰিলে, তৎসত্বেও শিক্ষাৰ লক্ষ্যত উপনীত হ’বলৈ যি সাৰ্বজনীন শিক্ষাৰ কথা কোৱা হৈছে—ইয়াত শিশুসকলে পঠন বা লিখনত আশানুৰূপ দক্ষতা অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাই। নাছ (National Achivement Survey)আৰু গুণোৎসৱৰ বিভিন্ন তথ্যৰ ফলাফলে এই ঘাটিৰ দিশটো উন্মোচিত কৰিলে।  এই স্থিতাৱস্থা ত্বৰান্বিত কৰিবলৈ চৰকাৰে বহু প্ৰকাৰে চেষ্টা অব্যাহত ৰাখিছে। মুক্ত শৈক্ষিক সমল (Open Education Resources) এক এনেধৰণৰ সুদূৰপ্ৰসাৰী প্ৰয়াস মাত্ৰ। আমাৰ বিদ্যালয়ৰ শিশুসকলে পাঠসমূহত দক্ষতা অৰ্জন কৰিবলৈ যাওঁতে বিভিন্ন কাৰণত ভাষা দক্ষতা আয়ত্ব কৰিব নোৱাৰে। সেইবাবে শিশুসকলে সহজে ভাষাৰ দক্ষতা আহৰণ কৰিব পৰাকৈ এই সমল প্ৰস্তুত কৰা হৈছে আৰু আশা কৰা হৈছে যে এই সমলখিনি শিক্ষকৰ বাবে হাতপুথিৰ দৰে সহায়ক হ’ব।

জৰীপৰ ভিত্তিত শিশুসকলে পোৱা সমস্যাসমূহ এনেধৰণৰ —

১। বৰ্ণমালাৰ আখৰসমূহ ধ্বনিগতভাৱে চিনি নাপায়।

২। চিনি পোৱা ধ্বনি সমূহৰ একক সংহতিৰে হোৱা শব্দ সমূহ পঢ়িব নোৱাৰে।

৩। যুক্তবৰ্ণ সমূহৰ গঠন আৰু তাৰ শুদ্ধ উচ্চাৰণ বা শব্দৰ মাজত সেইবোৰ উচ্চাৰণ কৰিব নোৱাৰে।

৪। সামগ্ৰিকভাৱে বাক্যসমূহ পঢ়ি তাৰ যথাৰ্থ অৰ্থ উদ্ধাৰ কৰিবলৈ অসমৰ্থ।

৫। সাধাৰণ বাক্য লিখনতো পূৰ্বতে লিখি অহা সেই যুক্তাক্ষৰযুক্ত শব্দবোৰ ব্যৱহাৰ কৰিব নোৱাৰে।

শিক্ষকসকলে পাঠদানৰ গুৰুত্ব বঢ়াবলৈ শিশুসকলক অনুপ্ৰোণোদিতভাৱে অনুশীলনৰ পৰিসৰলৈ আনিব লাগিব। পঠনত হোৱা ভুলবোৰ শুধৰাই দিব লাগিব আৰু পঠনৰ প্ৰতি থকা ভীতিভাৱ আঁতৰাই গুণগত পঠন স্তৰলৈ উন্নীত কৰিব লাগিব।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম —**

⇨ শিক্ষাৰ্থীসকলৰ পঠন জ্ঞান সঠিকভাৱে অৰ্জনত গুৰুত্ব দিব লাগিব।

⇨ শিক্ষাৰ্থীয়ে উচ্চাৰণত কৰা ভুল-ভ্ৰান্তিবোৰ যাতে নিজেই সংশোধন কৰি ল'ব পাৰে তালৈ দৃষ্টি ৰাখিব লাগিব।

⇨ সৰৱ আৰু নীৰৱ পঠনেৰে পাঠবোৰ পঢ়ি, বুজি, পাঠৰ যিকোনো প্ৰশ্নৰ উত্তৰ দিব পৰাত গুৰুত্ব দিব লাগিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ শিক্ষাৰ্থীৰ শুদ্ধ উচ্চাৰণৰ বাবে পঠন কৌশল আয়ত্তকৰণত সহায় কৰিব পাৰিম।

⇨ যুক্তাক্ষৰ গঠন প্ৰক্ৰিয়া বা ভাঙিব পৰা কৌশল আয়ত্ত কৰি শিক্ষণত প্ৰয়োগ কৰিম ।

⇨ উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপেৰে ভাষাৰ শ্ৰেণীকক্ষত এক সতেজ শিক্ষণ প্ৰণালীলৈ উন্নীত কৰিব পাৰিম।

⇨ বিবিধ শিক্ষণ সঁজুলিৰ প্ৰয়োগেৰে ভাষা শিক্ষাৰ ধূসৰ ক্ষেত্ৰসমূহৰ দোষ-ত্ৰুটিসমূহ আঁতৰাই ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাৰ দক্ষতা বৃদ্ধি কৰিব পাৰিম।

**বিকাশৰ ব্যৱস্থাৱলী ঃ**

শিক্ষাৰ্থীসকলে পঠন দক্ষতা সঠিকভাৱে অৰ্জন কৰোঁতে কি কি দিশলৈ মন দিব লাগে তাৰ ওপৰত গুৰুত্ব দিব লাগে। শিক্ষাৰ্থীয়ে স্পষ্ট আৰু শুদ্ধভাৱে যাতে যুক্তাক্ষৰ উচ্চাৰণ কৰিব পাৰে তাৰ ওপৰত প্ৰয়োজনীয় পঠন সামগ্ৰী প্ৰস্তুত কৰি শ্ৰেণীকক্ষত অনুশীলন কৰিবলৈ চেষ্টা কৰিব লাগে।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

**মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া)**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) যুক্তাক্ষৰ নথকা সৰু সৰু শব্দ পঢ়িব পৰা। | ⇨পাঠ্যপুথি, অংকুৰণ<br>⇨ ফ্লাচকাৰ্ড | ক্ৰিয়া-কলাপ | ⇨ তলত দিয়া শব্দবোৰ পঢ়া — গছ, বাৰিষা, অজগৰ, দমকল, মৰমিয়াল, ঔ টেঙা | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) যুক্তাক্ষৰ থকা শব্দ পঢ়িব পৰা আৰু অৰ্থ জনা। | ⇨ব্লেকবোৰ্ড, চক<br>⇨পাঠ্যপুথি অংকুৰণ<br>⇨বাতৰি-কাকত, দফা।<br>⇨ ৰচনা প্ৰবাহৰ পৰা এটি দফা। | ক্ৰিয়া-কলাপ | ⇨ তলত দিয়া বৰ্ণবোৰ যোৰা লগোৱা— স + ক, ন + ম, ন + ন, ট + ৰ, ক + ট, ব + দ<br>⇨ তলত দিয়া যুক্তাক্ষৰটো ভাঙি দেখুওৱা— স্ত, ন্ম, দ্দ, ৰ্প, স্ক | |
| ৩) দফা পঢ়ি উত্তৰ কৰিব পৰা। | ⇨পাঠ্যপুথি, অংকুৰণ<br>⇨বাতৰি-কাকত, দফা।<br>⇨ ৰচনা প্ৰবাহৰ পৰা এটি দফা। | ক্ৰিয়া-কলাপ | ⇨ দফাটো শুদ্ধকৈ পঢ়া—<br>ভাৰতৰ প্ৰায় সকলো অঞ্চলতে টোকোৰা চৰায়ে বাস কৰে। সিহঁতৰ প্ৰধান খাদ্য হ'ল শস্য, ফল-মূল, কীট-পতংগ, বনৰীয়া ঘাঁহ বনৰ গুটি আদি ইহঁতে বনৰ পৰা বিচাৰি খায়। নাৰিকল, খেজুৰ, তামোল আদিৰ দৰে গছসমূহৰ পাতত ইহঁতে টেকেলীৰ দৰে ওলমি থকা বাহ সাজে। এনেবোৰ গছৰ দীঘল আঁহ উলিয়াই সেইবোৰকে সিলৈ বাহ সাজে। | |

| | | | | |
|---|---|---|---|---|
| | | | ⇨ মৌখিক আৰু লিখিতভাৱে প্ৰশ্ন কৰা।<br>⇨ দফাটো পঢ়ি তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া।<br>১। টোকোৰা কি?<br>২। সিহঁতৰ প্ৰধান খাদ্য কি?<br>৩। সিহঁতৰ বাহ আকৃতি কেনেকুৱা?<br>৪। সিহঁতে বাহ কি উপাদানেৰে সাজে? | অবিৰত<br>আৰু<br>সামগ্ৰিক<br>মূল্যায়ন |
| ৪) যুক্তাক্ষৰ গঠন কৰিব পৰা। | যুক্তাক্ষৰযুক্ত শব্দ | ক্ৰিয়া-কলাপ | যুক্তাক্ষৰ পঠন কৰাঃ স + ৰ = ☐,<br>ক + ত = ☐, জ + জ + ৰ = ☐, ক + ট = ☐ | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

পাপৰি প্ৰধানী কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষয়িত্ৰী। তেখেতে তৃতীয় শ্ৰেণীত পাঠদান কৰে। শ্ৰেণী কোঠাত শিক্ষাৰ্থীক ভাষা পঢ়ুৱাওঁতে তেখেতে দেখিলে যে বাক্য সমূহৰ যুক্তাক্ষৰ থকা শব্দসমূহ পঢ়োঁতে ছাত্ৰ-ছাত্ৰীৰ গতিবেগ হ্ৰাস হয় আৰু কেতিয়াবা সেই যুক্তাক্ষৰযুক্ত শব্দটো এৰাই চলি পঢ়ে। এনেকুৱা ক্ষেত্ৰত তেখেতে পঠন সমস্যা আঁতৰাবলৈ কেনেধৰণৰ ব্যৱস্থা লৈছে, চাওঁ আহক।

**প্ৰস্তুতি ঃ** তেখেতে শিক্ষাৰ্থীক অসমীয়া ভাষাৰ যুক্তাক্ষৰৰ ধাৰণা জন্মাবলৈ তলত দিয়া ধৰণৰ কিছুমান সাঁ-সজুলি নিৰ্মাণ কৰি লৈছিল—

১) সৰু/ডাঙৰকৈ কটা ফ্লাচ কাৰ্ড।

২) স্কেচ্ পেনেৰে লিখা সৰল শব্দ/যুক্তাক্ষৰযুক্ত শব্দৰ কাৰ্ড।

৩) বিবিধ অসমীয়া বাতৰি-কাকতৰ নিৰ্বাচিত পঠনীয় টুকুৰা।

পাপৰি বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক যুক্তাক্ষৰ শিকাবলৈ দলগত শিক্ষণ পদ্ধতিক উত্তম বুলি গণ্য কৰিছে। সেয়ে পাপৰি প্ৰধানীয়ে দলীয় শিকন পদ্ধতি ইয়াত অৱলম্বন কৰিছে। তেখেতে শ্ৰেণীত কি কৰিছিল তাৰ বৰ্ণনা তেখেতৰ মুখৰ পৰাই শুনোঁ আহক।

মই যেতিয়া তৃতীয় শ্ৰেণীৰ ভাষা বিষয়ৰ পাঠ পঢ়াবলৈ গৈছিলোঁ। বোৰ্ডত প্ৰথমে মই সৰু সৰু যুক্তাক্ষৰ বিহীন শব্দবোৰ লিখি দিছিলোঁ আৰু সেইবোৰ তেওঁলোকক পঢ়িবলৈ দিছিলোঁ। পঢ়িব নোৱাৰা ছাত্ৰ-ছাত্ৰীসকলক ওজা ছাত্ৰৰ সহায়ত শিক্ষণ প্ৰক্ৰিয়া চলাই নিছিলোঁ। ইয়াৰ পাছতে সেইবোৰ তেওঁলোকৰ নিজৰ বহীত লিখিবলৈ দিছিলোঁ। এনে কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ আখৰ আৰু ধ্বনিগত শিক্ষণো সম্ভৱ হৈ পৰিছিল।

এইবাৰ মই ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰি সৰু সৰু বাতৰি-কাকতৰ টুকুৰা, সিহঁতৰ বয়স অনুসৰি গ্ৰহণযোগ্য স্তৰৰ পাঠ কিছুমান আনি সেইবোৰ প্ৰতিটো দলকে পঢ়িবলৈ দিলোঁ। এই নতুন পঠন সামগ্ৰী পাই সিহঁতে পোনতে ভীতিগ্ৰস্ত হ'লেও বাৰে বাৰে পঢ়িবলৈ দিয়াৰ ফলত সিহঁতে নতুন ৰসৰ সন্ধান পালে। শ্ৰেণীকক্ষসমূহ লগে লগে আমোদজনক হৈ পৰা পৰিলক্ষিত হ'ল। এই পাঠসমূহৰ মাজত থকা যুক্তাক্ষৰসমূহ বিচাৰি উলিয়াই টোকা বহীত লিখি যাবলৈ দিলোঁ। প্ৰতিটো দলতে পোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰ মই বোৰ্ডত লিখি দিলোঁ। তাৰ ভিতৰত থকা যুক্তাক্ষৰটো মই বোৰ্ডত ভাঙি দেখুৱালোঁ। এনেকৈ সকলোবোৰ যুক্তবৰ্ণ মই বোৰ্ডত ভাঙি সেইবোৰৰ শুদ্ধ উচ্চাৰণ আৰু গঠন প্ৰণালী শিকাই দিলোঁ।

পুনৰ দলসমূহত বেলেগে বেলেগে বাতৰি-কাকতৰ টুকুৰা দি সেইবোৰৰ ভিতৰত থকা যুক্তবৰ্ণবোৰ দলত ভাঙিবলৈ দিলোঁ। প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যুক্তবৰ্ণবোৰ ভাঙিব পাৰিছে। শিকনত পিছপৰি থকা ছাত্ৰ-ছাত্ৰীসকলক শুধৰাই সহায় কৰি দিলোঁ মই লক্ষ্য কৰিলোঁ যে — সিহঁতে ক্ৰিয়া-কলাপটো কৰি আনন্দ উপভোগ কৰিছে। শেষত মই ছাত্ৰ-ছাত্ৰীসকলক এজন-এজনকৈ মাতি আনি "আব্দুলহঁতৰ নতুন ট্ৰেক্টৰ" নামৰ পাঠত থকা বিভিন্ন যুক্তাক্ষৰ সমূহ ভাঙিবলৈ আৰু গঠন কৰিবলৈ উৎসাহিত কৰিলোঁ। যিসকলে পৰা নাছিল তেওঁলোককো মই পুনৰ বোৰ্ডত লিখি লিখি বুজাই দিলোঁ। গৃহ কৰ্ম হিচাপেও ছাত্ৰ-ছাত্ৰীসকলক কিছুমান যুক্তাক্ষৰযুক্ত শব্দৰপৰা যুক্তবৰ্ণবোৰ বাছি ভাঙিবলৈ দিলোঁ, যেনে, — আৱিষ্কাৰ, শতাব্দী, স্পষ্ট, বিশেষ্য, প্ৰশ্ন, অন্ত, বান্দৰ, খদ্দৰ, এন্ধাৰ, আগ্ৰহী, বিদ্যুৎ, কজ্জা ইত্যাদি শব্দবোৰ শিক্ষাৰ্থী সকলক ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ কলোঁ।

*বিঃদ্রঃ - শ্ৰেণী কোঠাত থকা কাণেৰে কম শুনা ছাত্ৰ জনৰ প্ৰতি পাপৰি প্ৰধানী বাইদেউৱে বিশেষভাৱে যত্ন লৈছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

➯ পাপৰি প্ৰধানীয়ে শ্ৰেণীকোঠাত শিকন কাৰ্যকলাপ দল গঠনৰ মাজেৰে কেনেকৈ কৰিলে ?

➯ এই ক্ৰিয়া-কলাপটোৱে ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰ শিকনত কেনেদৰে সহায় কৰিলে ?

➯ সকলো শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰিছিল নে ?

➯ আমিও শিকন ফলাফলৰ দুৰ্বলতা আঁতৰ কৰিবলৈ কিবা নতুন ক্ৰিয়া-কলাপ ল'ব নোৱাৰোঁ নে ?

➯ বাতৰি-কাকতৰ প্ৰয়োজনীয় টুকুৰাৰে কৰা ক্ৰিয়া-কলাপে ছাত্ৰ-ছাত্ৰীসকলক আনন্দ দিছিল নে ?

**ক্ৰিয়া-কলাপ ঃ ১**

প্ৰধানী বাইদেৱে কৰাৰ দৰে এটা আমিও ক্ৰিয়া-কলাপ কৰিব পাৰোঁ।

এই ক্ৰিয়া-কলাপটো শ্ৰেণীকক্ষত কাৰ্যকৰী কৰাৰ আগতে নিম্নলিখিত শিক্ষণ সামগ্ৰীসমূহ সংগ্ৰহ কৰি ল'ব লাগিব।

**শিক্ষণ শিকন সামগ্ৰী ঃ**

➯ পাঠ্যপুথি।

➯ বগা চাৰ্ট পেপাৰ, বাতৰি-কাকতৰ খবৰৰ টুকুৰা।

➯ বোৰ্ড

শ্ৰেণীকোঠাত যুক্তাক্ষৰযুক্ত বৰ্ণৰ উচ্চাৰণৰ শুদ্ধতাৰ বাবে কিছু পৰিকল্পনা কৰিছিলোঁ। শিক্ষাৰ্থীৰ মাজত অভিৰোচন বঢ়োৱাৰ বাবে শ্ৰেণীটোত সমনীয়াৰ মাজত যুক্তাক্ষৰ থকা নামৰ শিক্ষাৰ্থীসকলক ঠিয় হ'বলৈ কৈছিলোঁ। শ্ৰেণীকোঠাত ৩০ জন শিক্ষাৰ্থীৰ ৯ জনৰে নামৰ মাজত যুক্তাক্ষৰ থকা দেখিবলৈ পাইছিলোঁ, যেনে, — শঙ্কৰ, হিৰন্ময়ী, বন্দিতা, ছাদ্দাম, মুস্তাফা, ছাদুল্লা, দৰ্পনা, মৃণাল, ৰত্না আদি। সিহঁত আটাইকে সন্মুখলৈ মাতি আনি প্ৰতিজন শিক্ষাৰ্থীৰ নামবোৰ মই বোৰ্ডত লিখি পেলাইছিলোঁ। সেই নামবোৰ ছাত্ৰ-ছাত্ৰীসকলক পঢ়িবলৈ দিছিলোঁ। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে নামবোৰ পঢ়িব পাৰিছিল। কিন্তু সিহঁতৰ নামৰ মাজত থকা যুক্তাক্ষৰটো ভাঙিব পৰা নাছিল। তাৰপিছত বোৰ্ডত উক্ত শিক্ষাৰ্থীসকলৰ নামৰ মাজত থকা যুক্ত বৰ্ণকেইটা বোৰ্ডত মই ভাঙি আৰু লিখি দিছিলোঁ। ইয়াৰ পাছত পাঠ নং ৯, ১০, ১১ত থকা যুক্তাক্ষৰবোৰ শ্ৰেণীত দলীয়ভাৱে ভাঙিবলৈ আৰু গঠন কৰিবলৈ দিছিলোঁ। প্ৰয়োজন সাপেক্ষে মই সহায় কৰি দিছিলোঁ।

**ক্ৰিয়া-কলাপ—২ ঃ**

পুনৰ মই ছাত্ৰ-ছাত্ৰীসকলৰ লগত যুক্তাক্ষৰৰ খেল খেলিলোঁ। প্ৰথমে মই 'ক', 'খ' আৰু 'গ' দলক তলত দিয়া ধৰণে কামবোৰ ভগাই দিলো—

**ক-দল ঃ** এই দলৰ ছাত্ৰ-ছাত্ৰীসকলে কোনো নিৰ্দিষ্ট যুক্তবৰ্ণৰ কাৰ্ড খ-দলক দেখুৱাব আৰু ইয়াৰ গঠন প্ৰণালী খ-দলে নিজৰ ভিতৰত থকা সামগ্ৰীৰ পৰা উলিয়াই দেখুৱাব। (প্ৰয়োজন সাপেক্ষে শিক্ষকে সহায় কৰিব।)

**খ-দল ঃ** এই দলৰ ছাত্ৰ-ছাত্ৰীসকলে ক-দলৰ যুক্তবৰ্ণটো চাই তাৰ গঠন প্ৰণালী লগত থকা কাৰ্ডেৰে দেখুৱাব। (প্ৰয়োজন সাপেক্ষে শিক্ষকে সহায় কৰিব।)

**গ- দল ঃ** এই দলে ক- দল আৰু খ-দলৰ বৰ্ণসমূহ পৰীক্ষা-নিৰীক্ষা কৰি কাৰ্ডৰ ওপৰত সেই যুক্তবৰ্ণ থকা শব্দ এটা দেখুৱাব। (প্ৰয়োজন সাপেক্ষে শিক্ষকে সহায় কৰিব।)

এনেদৰে প্ৰতিটো দলে এই কাম বৃত্তাকাৰে কৰি যাব। তলৰ উদাহৰণটো চালেই বুজিব পাৰিব।

ক- দলে দেখুৱাব




খ- দলে দেখুৱাব




গ- দলে দেখুৱাব




এইদৰে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে এই খেলটোত ভাগ ল'ব।

**সাৰাংশঃ**

- ⇨ যিকোনো যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পাৰিছে।
- ⇨ বাতৰি-কাকত, আলোচনী আদি পঢ়িবলৈ সক্ষম হৈছে।
- ⇨ যুক্তাক্ষৰ থকা শব্দ উচ্চাৰণৰ কৌশল আয়ত্ত কৰিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ** শিক্ষাৰ্থীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে বোৰ্ডত লিখি দিয়া শব্দকেইটা পঢ়িব পাৰিছেনে চাওঁচোন —
উজ্জ্বল, ট্ৰেক্টৰ, খান্দি, ধ্বনি, সন্মুখত, স্বাধীনতা, আন্দোলন, মৃত্যুবৰণ, সম্পূৰ্ণ।

⇨ তলত দিয়া শব্দবোৰ পঢ়া —

অজগৰ, দমকল, মৰমিয়াল, ঔটেঙা।

⇨ ঢোলৰ ভিতৰত থকা যুক্তাক্ষৰেৰে শব্দটো সম্পূৰ্ণ কৰা —

ষ্কা, ক্ত, ন্ধ
শ্ল ন্ধা, দ্দ,
দ্য ষ্ট

| | | |
|---|---|---|
| ক) পৰি—— ৰ। | ঘ) স্প—— । | ছ) ব——নী। |
| খ) প্ৰ—— | ঙ) ট্ৰে——ৰ | জ) খা—— |
| গ) খ——ৰ | চ) বা—— | |

**শিক্ষাৰ্থীৰ বাবে অনুশীলন ঃ**

⇨ পাঠ্যপুথিৰ আলমত উপযুক্ত শব্দটো বহুৱাই খালী ঠাই পূৰ কৰা ঃ

১। বাঃ ! কি ধুনীয়া————————।

২। পেলনীয়া জাবৰ-জোঁথৰ গাঁত খান্দি পুতি থ'লে ———  ———— হয়।

৩। টোকোৰা চৰাইক পক্ষীকূলৰ—— বুলি কয়।

⇨ সোঁফালৰ আখৰৰ লগত বাওঁফালৰ আখৰ মিলাই শব্দটো সম্পূৰ্ণ কৰা—

প্ৰহাৰ, উন্নত,
বিখ্যাত, অম্লান,
বিমূৰ্ত্ত, গান্ধীজী

| সোঁফাল | বাওঁফাল |
|---|---|
| প্ৰ | ন্ধীজী |
| বি | হাৰ |
| গা | ম্লান |
| বি | ন্নত |
| উ | খ্যাত |
| অ | মূৰ্ত্ত |

⇨ যুক্তাক্ষৰ গঠন কৰা আৰু পঢ়া ঃ—

***উদাহৰণ ঃ*** উদ্দেশ্যঃ দ্দ — দ + দ = দ্দ (দই দই দ্দ)

স + ৰ =

ক + ত =

জ + জ + ৱ =

ক + ট =

**প্ৰসঙ্গ পুথি ঃ**


- ⇨ পাঠ্যপুথি - অংকুৰণ।
- ⇨ অসমীয়া ভাষা শিক্ষণ পদ্ধতি - ড° মদন শৰ্মা।
- ⇨ হেমকোষ।


****